কোৱাৰেণ্টাইন কৰি সংযোগ বিছিন্ন কৰা হ'ব বুলিও উৰা বাতৰি ওলাইছিল। সেয়েহে দুদিনতে প্ৰায় তিনিলাখ মানুহ নগৰ এৰি মহাৰাষ্ট্ৰ, ৰাজস্থান, দিল্লী আদিলৈ ঢাপলি মেলিলে। এইদৰে কাষৰীয়া ৰাজ্যবোৰতো প্লেগৰ সন্ত্ৰাস আৰম্ভ হ'ল। মহাৰাষ্ট্ৰৰ কেইটামান অঞ্চলতো প্লেগৰ দৰে ৰোগ হোৱা বুলি বাতৰি ওলাইছিল। পিছে পোন্ধৰ দিনমানতে বেমাৰটো নিয়ন্ত্ৰণলৈ আনিব পৰা গ'ল। ১৮৯৬ চনত বোম্বাইত প্লেগ হোৱাৰ সময়ত ব্ৰিটিছ প্ৰশাসকে ইউক্ৰেনিয়ান মাইক্ৰবায়'লজিষ্ট ডব্লিউ এম হফকিনক আমন্ত্ৰণ কৰি আনিছিল। হফকিনে বোম্বাইত হোৱা প্লেগৰ লক্ষণ অধ্যয়ন কৰি ১৮৯৭ চনত টেট্ৰাছাইক্লিন নামৰ ঔষধবিধৰ প্ৰচলন কৰিছিল। পাছত হফকিনৰ নামেৰে বোম্বাইত এটা গৱেষণা প্ৰতিষ্ঠান পতা হয়, য'ত প্লেগৰ লগতে অন্যান্য বীজাণু আৰু প্ৰতিষেধকৰ গৱেষণা চলি আছে। চুৰাটত প্লেগৰ প্ৰতিষেধক হিচাপে এই টেট্ৰাছাইক্লিন নামৰ ঔষধবিধ বহুলভাৱে ব্যৱহৃত হৈছিল। গতিকে সংক্ৰমণ বাঢ়িছিল যদিও মৃতকৰ সংখ্যা বেছি নহ'ল। কিন্তু সুদৰ্শনৰ মাক, খুৰাক, খুৰীয়েকৰ দুই-তিনিদিনৰ ভিতৰতে যন্ত্ৰণাদায়ক মৃত্যু হ'ল। গুৰুতৰভাৱে আক্ৰান্ত দেউতাক সুস্থ হৈছিল যদিও শ্বাস-প্ৰশ্বাসজনিত সমস্যা থাকি গ'ল আৰু দুবছৰ পাছতে তেওঁৰো মৃত্যু হ'ল। দেউতাকৰ চিকিৎসাত ভালেমান টকা-পইচা খৰচ হ'ল। আনহাতে আবাসিক এলেকাত থকা সুদৰ্শনহঁতৰ উদ্যোগ প্ৰতিষ্ঠানো প্ৰশাসনে আন ঠাইলৈ উঠাই নিবলৈ জাননী দিয়াত সুদৰ্শনে উদ্যোগটোকে বন্ধ কৰি দিয়াৰ সিদ্ধান্ত ল'লে। আচলতে আকস্মিক দুৰ্যোগত তাৰ মন ভাগি পৰিছিল আৰু উদ্যোগ এটা তত্ত্বাৱধান কৰিবলৈ দেউতাক, খুৰাকৰো অভাৱ অনুভৱ কৰিছিল। তাতে সিহঁতৰ পৰিয়ালত সুদৰ্শনেই আছিল একমাত্ৰ ল'ৰা। উদ্যোগটোৰ যন্ত্ৰপাতি, সা-সামগ্ৰী আৰু চৰ্ত বেচাৰ বাবদ পোৱা টকাৰে সুদৰ্শনে নগৰৰ উপকণ্ঠত তাপ্তী নদীৰ কাষে কাষে গঢ়ি উঠা নতুন আবাসিক অঞ্চলত ঘৰ ল'লেহি আৰু নতুন ব্যৱসায় আৰম্ভ কৰিলেহি। প্লেগৰ সময়ত টেট্ৰাছাইক্লিন নামৰ ঔষধে বহুতৰে শৰীৰত চালৰ ৰঞ্জক কমি বগা পৰি যোৱা ভিটিলিগ' নামৰ এবিধ উপসৰ্গৰ সৃষ্টি কৰিছিল। সুদৰ্শনৰ দেহত তাৰ স্বাক্ষৰ বিদ্যমান হৈ ৰ'ল। সুদৰ্শনৰ দোকানৰ সন্মুখত বৈ পৰীক্ষিতে ছিগাৰেট এটা হুপি হুপি দিনটোৰ অৱসাদ দূৰ কৰাৰ চেষ্টা কৰিছিল। হঠাৎ সুদৰ্শনে কৈ উঠিছিল—

"জানেনে, কালি এজনী গাভৰু ছোৱালী এইখন দলঙৰ পৰা জঁপিয়াই পানীত পৰি মৰিল। বডিটো আজি পালে।"

"অ', অফিছত আজি শুনিছিলোঁ। লগত বোলে এজনী কণমানি ছোৱালীও আছিল।"

"হয়, হয়, জিনছপেণ্ট, স্পৰ্টিং পিন্ধি নিজে গাড়ী চলাই অহা সেই আধুনিকাই চাৰি-পাঁচ বছৰীয়া সৰু ছোৱালীজনীক হাতত ধৰি ফিল্মী কায়দাৰে পানীত জঁাপ দিলে। এইটো এই মাহৰ তৃতীয়টো এনে ঘটনা। ইয়াৰ আগতে এজনী মাইকী মানুহ আৰু এজন বৃদ্ধয়ো এনেকৈ আত্মহত্যা কৰিছিল। আপুনি জানেনে নগৰীয়া জীৱনৰ ভিতৰে ভিতৰে কিমান অস্থিৰতা।"

পৰীক্ষিতৰ পৰহি সন্ধিয়া লগ পোৱা নীৰাৰ উদ্বিগ্ন মুখখনলৈ মনত পৰিল। নীৰা সিহঁতৰ অফিছৰ অভ্যৰ্থনা বিভাগৰ সহায়িকা। উদ্ভিন্ন যৌৱনা, স্মাৰ্ট। পাবলগীয়াতকৈ বেছি গুৰুত্ব ওপৰৱালাৰ পৰা আদায় কৰিব পৰা ছোৱালী। বহুতৰে তাইলৈ হিংসা। ইমান লাহ-বিলাহৰ জীৱন এটা তাই কেনেকৈ কটাব পাৰিছে। ডাইমণ্ডৰ আঙঠি, নেকলেছ, নিতে ন ন দামী সাজ। পৰহি সন্ধিয়া পৰীক্ষিত গৈছিল তাৰ আবাসিক অঞ্চলৰ কাষতে গঢ়ি উঠা চাৰিমহলীয়া নতুন ব্যৱসায়িক মলখনলৈ। হঠাতে ভিৰৰ মাজৰ পৰা ওলাই নীৰাই পৰীক্ষিতক মাত দিলে। মুখত তাইৰ উদ্বিগ্নতাৰ চাপ।

"আপোনাৰ লগত অলপ কথা হ'ব পাৰোঁ নেকি?" নীৰাৰ লগত অফিছতো পৰীক্ষিতৰ বিশেষ ধৰণৰ বাৰ্তালাপ আগতে হোৱা নাই। প্ৰয়োজন হোৱা নাই। পৰীক্ষিতৰ সন্দেহ হ'ল—কি বা ফাঁচত পেলাই চালাক ছোৱালীজনীয়ে। সি সৰ্তক হ'ল।

"আচলতে মোক অলপ টকা লাগিছিল। খুব আৰ্জেণ্ট। আপুনি যদি বেয়া নাপায় অলপ সহায় কৰিব নেকি?" নীৰাৰ বিগলিত কণ্ঠস্বৰ।

পৰীক্ষিত এনেধৰণৰ পৰিস্থিতিৰ বাবে সাজু নাছিল। নীৰাৰ দৰে ছোৱালী এজনীক এনেদৰে টকা ধাৰ দিয়াটো উচিত হ'ব জানো। তাৰ হাততো পৰ্যাপ্ত টকা নাই। নীৰাই বিচাৰিব খোজা পৰিমাণটোও নিশ্চয় কম নহ'ব। তাৰ থেৰো-গেঁৰো অৱস্থাটো লক্ষ্য কৰি নীৰাই ক'লে—"অ'কে, ন'প্ৰব্লেম। যদি অসুবিধা হয় নালাগে। আই ৱিল মেনেজ... প্লিজ ড'ণ্ট মাইণ্ড হা...।" কৈ কৈ তাই খৰধৰকৈ এছকালেটৰেদি তলৰ মহলালৈ নামি গ'ল। নীৰা কেইদিনমান অফিছলৈ অহা নাই। ভাৰত ভ্ৰমণলৈ অহা তাইৰ ইটালিয়ান ফ্ৰেণ্ড এটাৰ লগত বোলে ভ্ৰমি ফুৰিছেগৈ। নীৰাৰ বৈবাহিক জীৱন সংঘাতপূৰ্ণ। গিৰিয়েকে এটা মাল্টিনেছনেল কোম্পানিত কাম কৰে। দেশে-বিদেশে ঘূৰি ফুৰা মানুহটোৰ নীৰাৰ লগত সম্বন্ধ ছেদ কৰাৰ দৰেই হৈছে। নীৰাৰ এজনী ছোৱালীও আছে। ছোৱালীজনী আইতাকৰ লগত থাকে। কালি আত্মহত্যা কৰা ছোৱালীজনী নীৰা নহয়তো। নীৰা নহ'লেও তাই নীৰাৰ দৰেই এজনী ছোৱালী, যাৰ বাবে মৃত্যুও হয়তো এটা ফেণ্টাছি।

পৰীক্ষিতৰ ম'বাইল বাজি উঠিল। ৰিংটনটো চৌৰাচিয়াৰ বাঁহীৰ এটি সুৰ। পৰীক্ষিতৰ ওপৰৱালা মুখ্য অভিযন্তা কৃষ্ণমূৰ্তিয়ে ফোন কৰিছে। কৈছে কালিলৈ পুৱাৰ মিটিংখন এটেণ্ড কৰিবলৈ। তেওঁৰ অফিছলৈ অহাত পলম হ'ব। তেওঁ যাব আঠমহীয়া নাতিয়েকক এয়াৰপৰ্টত ৰিছিভ কৰিবলৈ। তেওঁৰ একমাত্ৰ পুতেক-বোৱাৰীয়েক তিনিমাহ আগতে নিউয়ৰ্কলৈ গৈছে। তাত চাকৰি বাকৰি কৰি ছেটল হোৱাৰ পৰিকল্পনা। দুয়োটাই একেলগে বেংগালুৰুত ছফটৱেৰ ইঞ্জিনিয়াৰিং পঢ়ি উঠি মাল্টিনেশ্যনেল কোম্পানি এটাত চাকৰি কৰি আছিল। কেইবছৰমান লিভ টুগেদাৰ কৰি থকাৰ পাছত যোৱা বছৰ দুয়োটাই পৰিয়ালবৰ্গৰ অনুৰোধ ৰক্ষা কৰি ফৰ্মেলি বিয়া পাতিলে আৰু আনএক্সপেকটেডেলি কেঁচুৱাটো হোৱাৰ ছমাহ পাছতে আমেৰিকালৈ উৰা মাৰিলে। যা-যোগাৰ আগৰে পৰাই চলি আছিল। পিছে সমস্যা হ'ল কেঁচুৱাটোক লৈ। সিহঁতে আমেৰিকাত থাকিবলৈ লোৱা এপাৰ্টমেণ্ট অঞ্চলটো বেচেলৰৰ বাবেহে। লিভ টুগেদাৰ কৰিলেও ল'ৰা-ছোৱালী ৰাখিব নোৱাৰে লগত। কেঁচুৱাৰ কান্দোনৰ বাবেও জৰিমনা ভৰিব লাগে। গতিকে সিদ্ধান্ত হ'ল সিহঁত ভালকৈ ছেটল নোহোৱালৈকে কেঁচুৱাটো মাক-বাপেকৰ ওচৰত থ'ব। সেয়েহে চিনাকি পৰিয়াল এটাৰ হাতত কেঁচুৱাটো ঘৰলৈ ওভতাই পঠাইছে। কৃষ্ণমূৰ্তি দম্পতীয়ে এতিয়া নাতিয়েকক ডাঙৰ কৰিব লাগিব। এদিন সিও উৰা মাৰিব। কৃষ্ণমূৰ্তি দম্পতী পুনৰ নিঃসংগ হৈ পৰিব। হাৰ্টৰ ৰোগী কৃষ্ণমূৰ্তিয়ে কয়—"মই কেতিয়া একেবাৰে ওপৰলৈ উৰা মাৰোঁ ক'ব নোৱাৰোঁ। চিন্তা হয় মিছেছৰ বাবেহে। তেওঁ বৰ অকলশৰীয়া হৈ পৰিব। ... এয়াই লাইফ... অল আৰ এল'ন...।" তেওঁ নিজকে প্ৰবোধ দিয়ে। বস্তুবাদী চিন্তাৰে আগবঢ়া নতুন প্ৰজন্মই কম্প্ৰমাইজ নিবিচাৰে। লাগে মাথোন আগবাঢ়ি যাবলৈ। পৰীক্ষিতৰ প্ৰশান্ত আৰু বিদিশালৈ মনত পৰিল। দুয়োটা বেংকৰ চাকৰিয়াল। বৰ ব্যস্ত। সাধাৰণ ঘৰ একোখনৰ পৰা উঠি অহা সিহঁতৰ জীৱন ধাৰণৰ পদ্ধতি সলনি হৈছে। ল'ৰাক সময় দিব নোৱাৰে। ৰাতিপুৱাৰ পৰা গধূলিলৈকে ব্যস্ততাৰ পাছত অলপ ৰিক্ৰিয়েশ্যনৰ বাবে পাৰ্টি, বাৰলৈ যোৱাৰ অভ্যাস গঢ়ি উঠিছে। মহানগৰীৰ ফ্লেটত ল'ৰাক অকলে আবদ্ধ কৰি থ'ব নোৱাৰি। গতিকে দুয়োটাই সিদ্ধান্ত লৈ তাক মুচৌৰীৰ বৰ্ডিং স্কুলত ৰাখিছে। আঠ বছৰীয়া কণমানি ঋতুৰাজে পৰীক্ষিতক ফোনত কৈছিল—"আংকল মই নহয় মুচৌৰী যাম। অকলে জানা। তাত পঢ়িম, খেলিম